**NSD NEWS UNIT**
AKASHVANI, GUWAHATI
0000000000

**Date :** 13-05-2026 **Time:** 19-10 Hrs

***Assamese Evening Bulletin***

**::::::::::::::::::::::::::::::::::::::::::::**

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা শুকুৰবাৰে ছদিনীয়া ভ্ৰমণসূচীৰে সংযুক্ত আৰব আমেৰি ৰাষ্ট্ৰ, নেডাৰলেণ্ডছ, ছুইডেন, ন'ৰৱে আৰু ইটালীলৈ যাব।

২। কেন্দ্ৰীয় মন্ত্ৰীসভাই ৩৭ হাজাৰ ৫০০ কোটি টকা ব্যয় সাপেক্ষে কয়লা আৰু লীগনাইট গেছীয়কৰণ প্ৰকল্পত অনুমোদন জনাইছে।

৩। অৰ্থনৈতিক পৰিক্ৰমাৰ কেবিনেট সমিতিয়ে ২০২৬-২৭ বিপণন বৰ্ষৰ বাবে ১৪ বিধ খাৰিফ শস্যৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধিত অনুমোদন জনাই'ছে।

৪। অহা ২১ মে'ৰ পৰা অসম বিধানসভাৰ অধিৰেশন অনুষ্ঠিত হ'ব।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰায়পুৰত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা শুকুৰবাৰে ছদিনীয়া ভ্ৰমণসূচীৰে সংযুক্ত আৰব আমেৰি ৰাষ্ট্ৰ, নেডাৰলেণ্ড, ছুইডেন, ন'ৰৱে আৰু ইটালীলৈ যাব। নতুন দিল্লীত আজি সংবাদ মাধ্যমৰ আগত বৈদেশিক পৰিক্ৰমা মন্ত্ৰালয় পশ্চিমৰ সচিব ছিবি জাৰ্জে জানিবলৈ দিয়ে যে পাঁচখন দেশৰ ভ্ৰমণৰ প্ৰথম পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদীয়ে অহা শুকুৰবাৰে সংযুক্ত আৰব আমেৰি ৰাষ্ট্ৰত উপস্থিত হোৱাৰ পাছত ৰাষ্ট্ৰপতি শ্বেইখ মহম্মদ বিন জায়েদ আল-নাহয়ানক সাক্ষাৎ কৰিব। তেওঁ কয়, যে দুয়োগৰাকী নেতাই দ্বিপাক্ষিক বিষয় বিশেষকৈ শক্তিৰ সহযোগিতাৰ লগতে আঞ্চলিক আৰু আন্তঃৰাষ্ট্ৰীয় সমস্যাসমূহৰ পাৰস্পৰিক বিষয়ৰ সন্দৰ্ভত মত বিনিময় কৰিব। ভ্ৰমণৰ দ্বিতীয় পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদী একেদিনাই নেডাৰলেণ্ডত উপস্থিত হ'ব। ২০১৭ চনৰ পাছত প্ৰধানমন্ত্ৰী মোদী দ্বিতীয় বাৰৰ বাবে দেশখন ভ্ৰমণ কৰিব। তেওঁ ভ্ৰমণকালত ৰজা উইলিয়াম আলেকজেণ্ডাৰ, ৰাণী মেক্সিমা আৰু প্ৰধানমন্ত্ৰী ৰব জেটেনক সাক্ষাৎ কৰিব। পশ্চিমৰ সচিবগৰাকীয়ে কয়, যে শ্ৰীমোদীয়ে তৃতীয় পৰ্যায়ত অহা দেওবাৰে ছুইডেনৰ গোথেনবাৰ্গ ভ্ৰমণ কৰিব। ভ্ৰমণকালত শ্ৰীমোদীয়ে ছুইডেনৰ প্ৰধানমন্ত্ৰী উল্ফ ক্ৰিষ্টাৰছনৰ সৈতে দ্বিপাক্ষিক সম্বন্ধৰ পৰ্যালোচনা কৰাৰ লগতে সেউজ শক্তি, কৃত্ৰিম বুদ্ধিমত্তা, উদ্ভাসিত প্ৰযুক্তি, ষ্টাৰ্টআপ, যোগান শৃংখলা, প্ৰতিৰক্ষা, মহাকাশ, জলবায়ু পৰিবৰ্তন তথা জনসাধাৰণৰ সৈতে জনসাধাৰণৰ সম্বন্ধ আদিৰ ক্ষেত্ৰত সহযোগিতা তথা দ্বিপাক্ষিক বাণিজ্য বৃদ্ধি কৰাৰ ওপৰত মত বিনিময় কৰিব। তেওঁ কয়, যে দুয়োগৰাকী নেতাই লগতে ইউৰোপৰ ব্যৱসায়িক নেতাসকলৰ মঞ্চ, ইউৰোপৰ ঘূৰণীয়া মেজমেলতো সম্বোধন কৰিব। ইউৰোপীয় সংঘৰ সভাপতি উৰ্ছুলা ভন ডেৰ লেয়ন উপস্থিত থাকিব। ভ্ৰমণৰ চতুৰ্থ পৰ্যায়ত প্ৰধানমন্ত্ৰী মোদীয়ে অহা সোমবাৰে নৰৱেত উপস্থিত হ'ব। তাত তেওঁ ভাৰত ন'ৰৱে সন্মিলন আৰু দ্বিপাক্ষিক সহযোগিতা সন্দৰ্ভত আলোচনাত মিলিত হ'ব। শ্ৰীমোদীয়ে প্ৰথমবাৰৰ বাবে ন'ৰৱে ভ্ৰমণ কৰিব আৰু ৪৩ বছৰত প্ৰথমগৰাকী ভাৰতীয় প্ৰধানমন্ত্ৰী

হিচাপে তেওঁ দেশখন ভ্ৰমণ কৰিব। শ্ৰীমোদীয়ে ৰজা পঞ্চম হেৰাল্ড, ৰাণী সোনজাক আৰু নৰৱেৰ প্ৰধানমন্ত্ৰী জোনাছ্ গাহৰ ষ্ট'ৰৰ সৈতে দ্বিপাক্ষিক বাৰ্তালাপত মিলিত হ'ব। দুয়োগৰাকী নেতাই ভাৰত ন'ৰৱেৰ ব্যৱসায় আৰু গৱেষণা সন্মিলনত সম্বোধন কৰিব। ভ্ৰমণৰ অন্তিম পৰ্যায়ত শ্ৰীমোদীয়ে অহা মঙলবাৰে ইটালীত উপস্থিত হ'ব। ভ্ৰমণকালত তেওঁ ইটালীৰ ৰাষ্ট্ৰপতি চেৰ্জিয়ো মেট্টাৰেল্লা আৰু প্ৰধানমন্ত্ৰী জৰ্জিয়া মেলনিৰ সৈতে বাৰ্তালাপ কৰিব।

০০০০০০০

কেন্দ্ৰীয় মন্ত্ৰীসভাই ৩৭ হাজাৰ ৫০০ কোটি টকা ব্যয় সাপেক্ষে কয়লা আৰু লীগনাইট গেছীয়কৰণ প্ৰকল্পত অনুমোদন জনাইছে। নতুন দিল্লীত আজি অনুষ্ঠিত মন্ত্ৰীসভাৰ বৈঠকৰ অন্তত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত কেন্দ্ৰীয় তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে দেশত কয়লা আৰু লীগনাইটক গেছলৈ ৰূপান্তৰিত কৰাৰ কাৰ্য্যসূচী ত্বৰান্বিত কৰাৰ দিশৰ পৰা এই প্ৰকল্প গুৰুত্বপূৰ্ণ পদক্ষেপৰূপে পৰিগণিত হ'ব। তেওঁ কয়, যে এই আঁচনিৰ জৰিয়তে ৭ কোটি ৫০ লাখ টন কয়লা আৰু লীগনাইটক গেছলৈ ৰূপান্তৰ কৰি কৃত্ৰিম গেছলৈ ৰূপান্তৰ আৰু আনুসঙ্গিক সামগ্ৰী উৎপাদন কৰাৰ বাবে অনুপ্ৰেৰণা যোগোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। এই আঁচনিৰ অধীনত ৩ লাখ কোটি টকা বিনিয়োগ কৰা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে। তেওঁ কয়, যে এই আঁচনিৰ জৰিয়তে খনন খণ্ডত বছৰি ৬ হাজাৰ ৩০০ কোটি টকাৰ ৰাজহ সৃষ্টি হ'ব আৰু সাম্প্ৰতিক ভূ-ৰাজনৈতিক পৰিস্থিতিত আত্ম-নিৰ্ভৰ ভাৰত তথা মেক-ইন ইণ্ডিয়া উদ্যম অধিক শক্তিশালী হৈ উঠিব।

০০০০০০০

অৰ্থনৈতিক পৰিক্ৰমাৰ কেবিনেট সমিতিয়ে ২০২৬-২৭ বিপণন বৰ্ষৰ বাবে ১৪ বিধ খাৰিফ শস্যৰ ন্যূনতম সমৰ্থন মূল্য বৃদ্ধিত অনুমোদন জনাইছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ আগত কেবিনেটৰ সিদ্ধান্তৰ কথা অৱগত কৰি তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰী অশ্বিনী বৈষ্ণৱে কয়, যে চৰকাৰে কৃষকসকলৰ উৎপাদিত সামগ্ৰীৰ মূল্যবৃদ্ধি নিশ্চিত কৰাৰ বাবে খাৰিফ শস্যৰ নূন্যতম সমৰ্থন মূল্য বৃদ্ধি কৰা হৈছে। তেওঁ কয়, যে খাৰিফ বতৰত কৃষকসকলক ২লাখ ৬০ হাজাৰ কোটি টকা বিতৰণৰ লক্ষ্য লোৱা হৈছে। তেওঁ লগতে কয়, যে এই চলিত বতৰত ৮২৪ লাখ মেট্ৰিক্টন খাদ্য শস্য উৎপাদনৰ লক্ষ্য লোৱা হৈছে। শ্ৰীবৈষ্ণৱে কয়, যে সূৰ্য্যমুখী ফুলৰ বীজৰ বাবে প্ৰতি কুইণ্টল সৰ্বাধিক ৬২২ টকা নূন্যতম সমৰ্থন মূল্য বৃদ্ধি কৰা হৈছে। ইয়াৰ বিপৰীতে কঁপাহত ৫৫৭ টকা, তিলত ৫০০ টকাকৈ বৃদ্ধি কৰা হৈছে। তেওঁ কয়, যে এ গ্ৰেডৰ ধানৰ ন্যূনতম সমৰ্থন মূল্য প্ৰতি কুইণ্টলত ২হেজাৰ ৪৬১ টকা, হাইব্ৰিড জোৱাৰ ৪হাজাৰ ২৩ টকা, বৰ্জৰা ২হেজাৰ ৯০০ টকা আৰু প্ৰতি কুইণ্টল ৰহৰ দাইলত ৮হাজাৰ ৪৫০ টকা নিৰ্ধাৰণ কৰা হৈছে।

০০০০০০০

অহা ২১ মে'ৰ পৰা অসম বিধানসভাৰ অধিৱেশন অনুষ্ঠিত হ'ব। এই অধিৱেশনতে নৱনিৰ্বাচিত বিধায়কসকলে শপতগ্ৰহণ কৰিব। অধিৱেশনৰ পাছত মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ কৰা হ'ব।

ড০ শৰ্মাই কয়, যে বিধানসভা নিৰ্বাচনৰ অন্তিম দিনা অৰ্থাৎ ২৬ মে'ত উমৈহতীয়া দেৱানী বিধি উত্থাপন কৰা হ'ব। মন্ত্ৰীসভাই আজি উমৈহতীয়া দেৱানী বিধিৰ খচৰাত অনুমোদন জনায়। এই খচৰা অনুসৰি পাৰ্বত্য আৰু ভৈয়াম জনজাতিৰ লোকসকলক উমৈহতীয়া দেৱানী বিধিৰ আওঁতাৰ পৰা বাহিৰত ৰখা হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

ডঃ শৰ্মাই কয়, যে বিজেপিৰ নিৰ্বাচনী ইস্তাহাৰখন এতিয়াৰে পৰা ৰাজ্য চৰকাৰৰ নীতি নিৰ্ধাৰণৰ আধাৰ হিচাপে গ্ৰহণ কৰাৰ বাবে মন্ত্ৰীসভাই আজি সিদ্ধান্ত লয়। মন্ত্ৰীসভাই পৰৱৰ্তী ৫ বছৰত নতুনকৈ ২ লাখ চৰকাৰী চাকৰিৰ নিযুক্তি সন্দৰ্ভত সিদ্ধান্ত লোৱাৰ বাবে মুখ্য সচিবৰ নেতৃত্বত কাৰ্যবাহিনী গঠনৰ সিদ্ধান্ত লয়। এই কাৰ্যবাহিনীয়ে অহা তিনিমাহৰ ভিতৰত প্ৰতিবেদন দাখিল কৰিব।

আজিৰ বৈঠকত ডঃ ভূপেন হাজৰিকাৰ জয়ন্তী সমাৰোহৰ সামৰণি অনুষ্ঠান ৮ ছেপ্তেম্বৰত নতুন দিল্লীত আয়োজন কৰাৰো সিদ্ধান্ত লয়। ইয়াৰ উপৰি কলাক্ষেত্ৰত ৩২ কোটি টকা ব্যয় সাপেক্ষে ভূপেন হাজৰিকাৰ সংগ্ৰহালয়ৰ স্থাপন কৰাৰ উদ্দেশ্যে বৈঠকত সিদ্ধান্ত লোৱা হয়। মন্ত্ৰীসভাই লগতে ব্যয় সংকোচনৰ ব্যৱস্থাৰ অংশ হিচাপে নতুন মন্ত্ৰীসকলৰ বাবে ছমাহলৈ নতুন বাহন নিদিবলৈ সিদ্ধান্ত লয়। অহা ছমাহলৈ মন্ত্ৰী-বিষয়া আৰু কৰ্মচাৰীয়ে বিদেশ ভ্ৰমণ কৰিব নোৱাৰিব। অকল চিকিৎসাজনিত কাৰণতহে বিদেশ ভ্ৰমণৰ অনুমতি দিয়া হ'ব।

০০০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি ওমানৰ পৰিবহন, যোগাযোগ আৰু তথ্য প্ৰযুক্তি মন্ত্ৰী ছাইদ বিন হামুদ আল মাৱালীৰ সৈতে ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে বাৰ্তালাপ কৰে। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীসোণোৱালে কয়, যে দুয়োখন ৰাষ্ট্ৰৰ মাজত থকা শতিকা পুৰণি সামুদ্ৰিক সম্বন্ধ এটা নতুন শিখৰলৈ লৈ যোৱা হ'ব। তেওঁ কয়, যে দুয়োপক্ষই আঞ্চলিক যোগাযোগ আৰু অৰ্থনৈতিক বিকাশৰ লগতে ওমানৰ বন্দৰত ভাৰতৰ সহযোগিতাৰ সুবিধাৰ সন্দৰ্ভত আলোচনা কৰে।

০০০০০০০

কেন্দ্ৰীয় নতুন আৰু নৱীকৰণযোগ্য শক্তি মন্ত্ৰী প্ৰহ্লাদ যোশীয়ে আজি নতুন দিল্লীত কেন্দ্ৰীয় গৃহ আৰু নগৰ পৰিক্ৰমা মন্ত্ৰী মনোহৰ লালৰ সৈতে বৈঠকত মিলিত হয়। সামাজিক মাধ্যমৰ এটা বাৰ্তাত শ্ৰীযোশীয়ে কয়, যে এই বৈঠকত তেওঁলোকে নৱীকৰণযোগ্য শক্তি গ্ৰীডৰ কৰ্তনৰ বিষয়টোৰ ওপৰত আলোচনা কৰাৰ লগতে গ্ৰীডৰ সামগ্ৰীক স্থিতিশীলতা সুনিশ্চিত কৰাৰ লগতে সময় সীমাবদ্ধভাবে ইয়াক ন্যুনতম কৰাৰ বাবে প্ৰযুক্তিগত সমাধানৰ সন্দৰ্ভত আলোচনা কৰে। তেওঁ লগতে কয়, যে গ্ৰীডৰ সংযোগৰ আন্তঃগাঁথনিক সুদৃঢ়কৰণ আৰু দেশৰ সেউজ শক্তি আহৰণৰ ক্ষমতা বৃদ্ধিৰ লক্ষ্যৰে বেটেৰিযুক্ত শক্তি সংৰক্ষণ ব্যৱস্থা বৃদ্ধি কৰাৰ সন্দৰ্ভত আলোচনা কৰা হয়। বৈঠকত শক্তি আৰু নৱীকৰণযোগ্য শক্তি ৰাজ্যমন্ত্ৰী শ্ৰীপদ ৰাই নাইকো উপস্থিত থাকে।

০০০০০০০

ইজৰাইলৰ ড্ৰোণেৰে লেবাননৰ দক্ষিণ বেইৰুটৰ ৰাষ্ট্ৰীয় ঘাইপথত তিনিখন বাহনত লক্ষ্য কৰি আক্ৰমণ কৰাৰ ফলত ৮গৰাকী লোকৰ মৃত্যু হয়। লেবাননৰ স্বাস্থ্য মন্ত্ৰালয়ে তিনিটা আক্ৰমণৰ কথা নিশ্চিত কৰিছে। ইজৰাইলৰ সেনাবাহিনীয়ে জানিবলৈ দিছে যে, দক্ষিণ লেবাননৰ ভালেমান অঞ্চলত ইৰাণে পৃষ্ঠপোষকতা কৰা সন্ত্ৰাসবাদী গোট হিজবুল্লাৰ আন্তঃগাঁথনিক লক্ষ্য কৰি আক্ৰমণ চলোৱা হয়।

০০০০০০০

সংখ্যালঘু পৰিক্ৰমা মন্ত্ৰালয়ে কাইলৈ নতুন দিল্লীত 'বিকশিত ভাৰতৰ বাবে এআই (AI)-ৰ জৰিয়তে সৰ্বাংগীন বিকাশ' শীৰ্ষক 'সংখ্যালঘুসকলৰ কল্যাণৰ বাবে ৰাষ্ট্ৰীয় সন্মিলন' আয়োজন কৰিছে। এক বিবৃতিত মন্ত্ৰালয়ে জনাইছে যে 'অংশগ্ৰহণেৰে ভাগ্যোদয়' আঁচনিৰ অধীনত অনুষ্ঠিত হ'বলগীয়া এই সন্মিলনৰ লক্ষ্য হৈছে সামগ্ৰিক শাসন ব্যৱস্থা শক্তিশালী কৰা, নীতিসমূহৰ প্ৰসাৰ বৃদ্ধি কৰা আৰু সমগ্ৰ দেশৰ সংখ্যালঘু সম্প্ৰদায়সমূহৰ কল্যাণৰ বাবে প্ৰযুক্তি-চালিত

পদক্ষেপসমূহক উৎসাহিত কৰা।এই অনুষ্ঠানটোৱে 'বিকশিত ভাৰত'ৰ দৃষ্টিভংগীৰ সৈতে সংগতি ৰাখি অংশগ্ৰহণমূলক উন্নয়ন আৰু সমিলমিল নীতিৰ প্ৰতি মন্ত্ৰালয়ৰ দায়বদ্ধতা প্ৰতিফলিত কৰে। এই সন্মিলনে কেন্দ্ৰ-ৰাজ্য চৰকাৰৰ মাজত সমন্বয় ৰক্ষা কৰা, শ্ৰেষ্ঠ পদ্ধতিসমূহৰ আদান-প্ৰদান কৰা আৰু মন্ত্ৰালয়ৰ আঁচনিসমূহৰ সুবিধা আৰু স্বচ্ছতা সৰ্বাধিক কৰিবলৈ সহায় কৰিব। মন্ত্ৰালয়ে লগতে কয় যে এই সন্মিলনে সংখ্যালঘু কল্যাণৰ বাবে এক দূৰদৰ্শী পথ প্ৰদৰ্শন কৰিব, যিয়ে ৰাষ্ট্ৰ নিৰ্মাণ প্ৰক্ৰিয়াত সকলো সম্প্ৰদায়ৰ সমতাপূৰ্ণ বিকাশ আৰু সৱলীকৰণৰ প্ৰতি ভাৰত চৰকাৰৰ সংকল্পক পুনৰ দৃঢ় কৰিব।

0000000

এয়াৰ ইণ্ডিয়াই জেট ইন্ধনৰ উচ্চ মূল্য আৰু আকাশমাৰ্গৰ কিছুমান নিষেধাজ্ঞাৰ পৰিপ্ৰেক্ষিতত আন্তঃৰাষ্ট্ৰীয় বিমান সেৱা হ্ৰাস কৰাৰ লগতে কিছু বহিঃৰাজ্যৰ বিমান সেৱা সাময়িকভাৱে বন্ধ কৰি দিয়াৰ সিদ্ধান্ত লৈছে । এয়াৰ ইণ্ডিয়াই কয় যে, চলিত বৰ্ষৰ জুন মাহৰ পৰা আগষ্ট মাহলৈ আন্তঃৰাষ্ট্ৰীয় সেৱাৰ সংযোগকৰণৰ ব্যৱস্থা কৰা হ'ব। এয়াৰ ইণ্ডিয়াই দিল্লী-চিকাগো, মুম্বাই-নিউয়ৰ্ক, দিল্লী-চাংহাই, চেন্নাই-চিংগাপুৰ, আৰু আন দুটা পথত সাময়িকভাৱে সেৱা বন্ধ কৰিব ।

0000000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি ৰায়পুৰত ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰু কলকাতা নাইট ৰাইডাৰ্ছৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

প্ৰতিযোগিতাত যোৱা নিশা অনুষ্ঠিত এখন খেলত গুজৰাট টাইটানছে ছানৰাইজাৰ্ছ হায়দৰাবাদক ৮২ ৰানত পৰাস্ত কৰি পইণ্ট তালিকাৰ শীৰ্ষত স্থান লাভ কৰে।

0000000

৺ সমাপ্ত ৺